[19HKMDASO–M4S(O)19A]

MA 4th Semester (Old) Exam., 2019(S)

ASSAMESE

[MAS (S4) 15 (Lang)]

(উপভাষা বিজ্ঞান আৰু অসমীয়া উপভাষা)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) ভাষাতত্ত্ববিদ বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাৰ আঞ্চলিক ৰূপ সম্পৰ্কে কি কৈ গৈছে?

(b) উজনি অসমৰ উপভাষাৰ শব্দগত বৈশিষ্ট্য প্ৰকাশ কৰাকৈ কেইটামান উদাহৰণ আগবঢ়াওক।

(c) ভাষাতত্ত্ববিদ উপেন্দ্ৰনাথ গোস্বামীয়ে নামনি অসমৰ ঔপভাষিক ৰূপৰ বিষয়ে কি কৈছে?

(d) কামৰূপী উপভাষাৰ স্থানীয় ৰূপভেদৰ বিষয়ে চমু উল্লেখ কৰক।

(e) গোৱালপৰীয়া উপভাষাৰ চমু পৰিচয় আগবঢ়াওক।

(f) গোৱালপৰীয়া উপভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য কেইটামান উল্লেখ কৰক।

2. তলৰ যি কোনো **তিনিটাৰ** বিষয়ে লিখক (প্ৰতিটো ১৫০ শব্দৰ ভিতৰত) : 4×3=12

(a) নাগামিজ

(b) নেফামিজ

(c) উপভাষা জৰীপৰ পদ্ধতি

(d) জাতি বা বৰ্ণগত উপভাষা

(Turn Over)

3. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) ভাষা আৰু উপভাষাৰ মাজত পাৰ্থক্য কোনখিনিত, আলোচনা কৰক।

(b) মান্য ভাষা বুলিলে কি বুজে ? বহলাই আলোচনা কৰক।

(c) উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তা কি ?

(d) 'উপভাষাৰ সীমা নিৰ্ধাৰক'—এই সম্পৰ্কে এটি আলোচনামূলক টোকা যুগুত কৰক।

4. তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০০ শব্দৰ ভিতৰত) : 10×4=40

(a) অসমৰ নৃগোষ্ঠীয় উপভাষাসমূহৰ বিষয়ে আলোচনা আগবঢ়াওক।

(b) কামৰূপী উপভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যসমূহ আলোচনা কৰক।

(c) কামৰূপী উপভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ আলোচনা কৰক।

(d) মান্য অসমীয়াৰ সৈতে গোৱালপৰীয়া উপভাষাৰ ৰূপভেদ বিচাৰ কৰক।

(e) কামৰূপী উপভাষাৰ সৈতে গোৱালপৰীয়া উপভাষাৰ প্ৰভেদ আলোচনা কৰক।

★★★